No. of Printed Pages : 4

**FAS-01**

**BDP / BCA / BTS**

**Term-End Examination**

01411

**December, 2018**

## FAS-01 : FOUNDATION COURSE IN ASSAMESE

*Time : 2 hours* *Maximum Marks : 50*

---

*প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক ।*

**ক শাখা**

1. সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক : *5×1=5*

(a) ৬৪৩ খ্ৰী:ত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙে ইয়াৰ ভাষা সম্বন্ধে কি মন্তব্য কৰিছিল ?

(b) বিহুগীত আৰু হুচৰীৰ মাজত প্ৰভেদ কি ?

(c) গুপ্ত যুগৰ ৰজাসকলে কি কি ধৰ্মৰ শিল্পকলাৰ পৃষ্ঠপোষকতা কৰিছিল ?

(d) ভাৰতৰ স্বাধীনতাৰ কাৰণে গান্ধীজীয়ে কি আন্দোলন আৰম্ভ কৰিছিল ?

(e) প্ৰথম আলোচনী 'অৰুণোদয়' ত কোনে আখৰ জোঁটনি সম্পৰ্কে প্ৰথম আলোচনা কৰিছিল ?

2. তলত দিয়া প্ৰশ্নবোৰৰ শুদ্ধ বিকল্প নিৰ্ণয় (√) কৰক : *5×1=5*

(a) প্ৰথম অসমীয়া ব্যাকৰণ আৰু অভিধান কোনে ৰচনা কৰে ?

(i) মাইলছ ব্ৰনছনে

(ii) উইলিয়াম ৰবিন্সনে

(iii) নাথান ব্ৰাউনে

(b) ওনাম উৎসৱ কোন ৰাজ্যত পালন কৰা হয় ?

(i) কেৰেলা

(ii) কৰ্নাটক

(iii) তামিলনাডু

(c) অসমৰ প্ৰাচীন নাম কি আছিল ?

(i) কামৰূপ

(ii) প্ৰাগজ্যোতিষপুৰ

(iii) আসাম

(d) ১৯২৯ চনত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত বহা কোনখন জাতীয় কংগ্ৰেছৰ সভাত দেশৰ বাবে 'পূৰ্ণ স্বাধীনতা'ৰ দাবী কৰা হয় ?

(i) দিল্লীৰ

(ii) কলিকতাৰ

(iii) লাহোৰৰ

(e) 'চামুৰাই' কবিতাৰ কবিগৰাকীৰ নাম কি ?

(i) ৰবীন্দ্ৰ বৰা

(ii) মহেন্দ্ৰ বৰা

(iii) জ্ঞাননাথ বৰা

3. একবিংশ শতিকাৰ ভাৰতবৰ্ষৰ বিষয়ে এটা চমু টোকা লিখক। 5

**অথবা**

অসমৰ মানুহৰ খাদ্যাভাসৰ পৰিচয় দিয়ক।

4. সংক্ষেপে যিকোনো ***পাঁচটা*** প্ৰশ্নৰ উত্তৰ লিখক : *5×2=10*

(a) কফিৰ ব্যৱহাৰ কোন অঞ্চলত বেছিকৈ হয় ?

(b) অনন্ত কন্দলি কোন আছিল আৰু তেওঁ কি ৰচনা কৰিছিল ?

(c) কম্পিউটাৰে সচৰাচৰ কোন ধৰণৰ সমস্যা সমাধান কৰে ?

(d) ব্যক্তি স্বাধীনতা অধিকাৰৰ বিশেষত্ব কি ?

(e) ন্যায় দৰ্শনৰ প্ৰতিষ্ঠাতা কোন ? ইয়াৰ বৈশিষ্ট্য কি ?

(f) বেঞ্চাৰৰ বিস্তাৰত কিহে সহায় কৰে ?

(g) সত্ৰীয়া কলাক ফক্কৰী কলা বুলি কিয় কোৱা হয় ?

(h) আখৰ জোঁটনিৰ খেলিমেলিৰ কাৰণবোৰ কি ?

(i) উচ্চ গুণসম্পন্ন জনসংখ্যা মানে কাক বুজাবলৈ বিচৰা হৈছে ?

(j) অনিৰুদ্ধৰ ছবি দেখাৰ লগে লগে উষাৰ মনত কি প্ৰতিক্ৰিয়া হ'ল আৰু তেওঁ কি কৰিলে ?

## খ শাখা

**5.** বাচ্য কাক বোলে ? ই কেইবিধ ? উদাহৰণ দি বুজাই লিখক । *5*

**অথবা**

নিমিত্তার্থক ক্রিয়াৰ সংজ্ঞা লিখি উদাহৰণসহ বুজাই লিখক ।

**6.** যিকোনো ***পাঁচটা*** খণ্ডবাক্যৰ অর্থপূর্ণ বাক্য ৰচনা কৰক : *5*

কণৰে লাখুটি, কচুপাতৰ পানী, আলাসৰ লাড়ু, পানীত হাঁহ নচৰা, অজীন পাতকী, মুখা-ফুটা, অলপ ধতুৰা, ফুট গধূলি ।

**7.** বাট-পথৰ দূৰৱস্থাৰ বর্ণনা কৰি আৰু মেৰামতিৰ অনুৰোধ কৰি এখন বাতৰি কাকতৰ সম্পাদকলৈ চিঠি লিখক । *5*

**8.** তলৰ যিকোনো ***এটা*** বিষয় নির্বাচন কৰি এখন ৰচনা লিখক : *10*

(i) অসমৰ বিহু উৎসৱ

(ii) ডাইনী হত্যা – এক সামাজিক কু-সংস্কাৰ

---